আমিৰাতৰ সম্পূর্ণ স্থিতি নলগালৈকে বৃটিছ চৰকাৰক বৃটিছ সামৰি বাহিনী নিনিবলৈ অনুৰোধ জনাইছিল আৰু ইয়াৰ সম্পূর্ণ খৰচ বহ কৰিবলৈ মান্তি হৈছিল, যদিও বৃটিছ চৰকাৰে এই অনুৰোধ প্রত্যাখ্যা কৰিছিল। বৃটিছ চৰকাৰে সাতখন আমিৰাত লগলগাই এখন সংযু আৰব আমিৰাত গঠন কৰিবলৈ প্রস্তাৱ ৰাখিছিল, যদিও প্রথম অৱস্থা আমিৰাতবোৰে তেওঁলোকৰ মাজত আলোচনা হোৱা আভ্যান্তৰিণ নিয় আৰু চৰ্তাৱলীক লৈ একমত হব পৰা নাছিল। ১৯৭১ চনৰ ১ ডিচেম্বৰ আমিৰাতবোৰ বৃটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰে। সেয়েহে ১৯৭ চনৰ ২ ডিচেম্বৰত ডুবাইৰ গেষ্ট হাউছ যাক বৰ্তমান ইউনিয়ন হাউ বুলি জনা যায়, ছয়জন আমিৰাতৰ শাসকে বহি কেবালানী আলোচনা কৰে। অৱশেষত তেওঁলোক বিভিন্ন নিয়ম আৰু চৰ্তাৱলীত একমত হৈ সংযুক্ত আৰব আমিৰাত গঠনৰ চুক্তিত স্বাক্ষৰ কৰিছিল। ১৯৭২ চনৰ ১০ জানুৱাৰীত ৰাছ-আল খাইমাহে সংযুক্ত আৰব আমিৰাতৰ চৰ্তাৱলীত একমত হৈ চুক্তি স্বাক্ষৰ কৰে আৰু সংযুক্ত আৰবৰ অংশ হৈ পৰে। ১৯৭১ চনত আবুধাবীৰ এজন ১৯ বছৰীয়া যুবক আব্দুল্লাহ মুহাম্মদ আল মাইনাই সংযুক্ত আৰব আমিৰাতৰ পতাকাখন অঙ্কণ কৰিছিল,যিখন পতাকা সংযুক্ত আৰব আমিৰাতৰ ৰাষ্ট্ৰীয় পতাকা হিচাপে গ্ৰহণ কৰা হৈছিল। ডিচেম্বৰ মাহৰ ২ তাৰিখ দিনটো সংযুক্ত আৰব আমিৰাতে স্বাধীনতা দিবস হিচাপে মানি আহিছে। ১৯৭২ চনত যুক্তৰাষ্ট্ৰীয় পৰিষদ গঠন কৰে, যিটো সাতজন শাসকৰ দ্বাৰা নিযুক্ত ৪০ জন সদস্যৰ দ্বাৰা গঠিত এটা পৰামৰ্শদাতা পৰিষদ।

## স্বাধীনতাৰ পৰৱৰ্তী সময় আৰু আন্তৰ্জাতিক সম্পৰ্ক (Post-Independence Period and International Relation)ঃ

সংযুক্ত আৰব আমিৰাতে স্বাধীনতাৰ পৰৱৰ্তী সময়ৰে পৰা বিভিন্ন ক্ষেত্ৰত বিভিন্ন দেশ আৰু সংস্থা সমুহৰ লগত সম্পৰ্ক ৰাখি আহিছে। ১৯৭১ চনৰ ডিচেম্বৰ মাহৰ ৬ তাৰিখে ই আৰব লীগৰ

(Arab League) সদস্য হিচাপে অংশগ্ৰহণ কৰে আৰু সেই একে বছৰৰে ডিচেম্বৰ মাহৰ ৯ তাৰিখত ৰাষ্ট্ৰ সংঘৰ (United Nations) সদস্য ৰাষ্ট্ৰ হিচাপে অংশগ্ৰহণ কৰে। আকৌ ই ১৯৮১ চনৰ মে মাহৰ তথা উপসাগৰীয় সহযোগী পৰিষদৰ (Gulf Cooperation Council) জন্মলগ্নৰে পৰা সদস্য ৰাষ্ট্ৰ হিচাপে অংশ গ্ৰহণ কৰে।

সংযুক্ত আৰব আমিৰাতে ২००১ চনত তালিবানৰ বিপক্ষে আফগানিস্থানত হোৱা যুদ্ধত আমেৰিকাক সহযোগ কৰে আৰু ২००৩ চনত হোৱা আমেৰিকা আৰু ইৰাকৰ যুদ্ধত ছাদ্দাম হুচেইনৰ বিপক্ষে আমেৰিকাক সহায় কৰে। এই দেশখনে সুৰক্ষাৰ বাবে ১৯৯৪ চনত আমেৰিকাৰ লগত ১৯৯৫ চনত ফ্ৰান্স চুক্তিত স্বাক্ষৰ কৰিছিল। আকৌ ২০১১ চনৰ মাৰ্চ মাহত লিবিয়াৰ ওপৰত হোৱা আন্তৰ্জাতিক সামৰিক অভিযানতো সংযুক্ত আৰব আমিৰাতে অংশ গ্ৰহণ কৰে। ইয়াৰোপৰিও ছৌদি আৰবে ইয়ামেনৰ ওপৰত কৰা আক্ৰমণত সংযুক্ত আৰব আমিৰাতে ছৌদি আৰবৰ পক্ষ লয়।

## জলবায়ু আৰু প্ৰাকৃতিক পৰিবেশ (Climate and Natural Environment)ঃ

সংযুক্ত আৰব আমিৰাতৰ জলবায়ু গ্ৰীষ্মকালত অতিশয় গৰম আৰু শীত কালতো ইয়াৰ জলবায়ু অঞ্চল বিশেষে উষ্ণ। ইয়াৰ জলবায়ুক বিভিন্ন ভাগত ভাগ কৰা হয় যেনে— মৰুভূমিৰ জলবায়ু, উপকুলীয় সমভূমিৰ জলবায়ু আৰু পাৰ্বত্য অঞ্চলৰ জলবায়ু। মৰুভূমি অঞ্চলৰ জলবায়ু গ্ৰীষ্ম কালত অতিশয় গৰম আৰু শীত কালত উষ্ম। আকৌ উপকুলীয় সমভূমি অঞ্চলৰ জলবায়ু কিছু পৰিমাণে মৰুভূমি অঞ্চলৰ জলবায়ুতকৈ ঠাণ্ডা। ইয়াৰ আটাইতকৈ গৰমৰ মাহ হ'ল জুলাই আৰু আগষ্টৰ মাহ। ইয়াত জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত জলবায়ু ১০ ডিগ্ৰিৰ পৰা ১৮ ডিগ্ৰিৰ ভিতৰত থাকে। আকৌ ইয়াৰ পাৰ্বত্য অঞ্চলত ঠাণ্ডাৰ দিনত জলবায়ু অতিশয় ঠাণ্ডা। আনকি কিছুমান পৰ্বতত ঠাণ্ডাৰ

দিনত বৰফ পৰে। ইয়াত গ্ৰীষ্মকালত প্ৰচুৰ পৰিমাণে বৰষুণ হয় আ কেতিয়াবা কৃত্ৰিম বানপানীও হয়।

সংযুক্ত আৰব আমিৰাতত গছ-গছনিৰ সংখ্যা কম। ইয়াত খেজুৰ গছ, একেছিয়া, ইউক্লিপতাছ আদি গছ গজে। ইয়াৰ মৰুভূমি অঞ্চলত গছনি দেখিবলৈ পোৱা নাযায়, মাত্ৰ কিছুমান কাইটীয়া ঘাহনীহে দেখিব পোৱা যায়। ইয়াত বিভিন্ন ধৰণৰ জীৱ-জন্তু উপলব্ধ যেনে— আৰবীয় অবিক্স, আৰবীয় উট, চিতাবাঘ, উপকুলীয় মাছ আৰু বিভিন্ন ধৰণ স্তন্যপায়ী প্ৰানী যেনে— মেক্ৰেল, পাৰ্চ, তুনা আৰু হাঙৰ আৰু তিমিম উপলব্ধ।

## ৰাজনীতি (Politics)ঃ

সংযুক্ত আৰব আমিৰাতৰ ৰাজনীতি যুক্তৰাষ্ট্ৰীয় সাংবিধানি ৰাজতন্ত্ৰৰ দ্বাৰা গঠিত। ইয়াক সাতখন আমিৰাতৰ দ্বাৰা নিৰ্বাচি সদস্যৰ দ্বাৰা সংগঠিত যুক্তৰাষ্ট্ৰীয় উচ্চতম পৰিষদে শাসন কৰে ইয়াৰ এজন ৰাষ্ট্ৰপতি, এজন উপৰাষ্ট্ৰপতি আৰু এজন প্ৰধানমন্ত্ৰী থাকে। ইয়াৰোপৰিও প্ৰত্যেকখন আমিৰাতৰে এজনকৈ নিজস্ব শাসক থাকে যাক শ্বেখ বুলি কোৱা হয়। ইয়াৰ ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীক যুক্তৰাষ্ট্ৰীয় উচ্চতম পৰিষদৰ সদস্য সকলে নিৰ্বাচন কৰে আমিৰাতবোৰে তেওঁলোকৰ ৰাজহৰ কিছু অংশ কেন্দ্ৰ চৰকাৰক (যুক্তৰাষ্ট্ৰীয় উচ্চতম পৰিষদক) দিয়ে আৰু কিছু অংশ আমিৰাতবোৰে ৰাখে। কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ধৰণৰ সমস্যা সমাধান কৰে যদি সকলো সমস্যা সমাধান কৰিব নোৱাৰে। সেয়েহে আমিৰাতবোৰে তেওঁলোকৰ নিজৰ অংশৰ ৰাজহৰ দ্বাৰা নিজৰ নিজৰ বিভিন্ন ধৰণ সমস্যা সমাধান কৰে।

## সামৰিক বাহিনী (Military Force)ঃ

সংযুক্ত আৰব আমিৰাতৰ সামৰিক বাহিনী ১৯৭১ চনতে গঠ কৰা হৈছিল। যদিও ইয়াৰ সামৰিক বাহিনী সংখ্যাত সৰু কিন্তু ই বিভি

অত্যাধুনিক অস্ত্ৰ শস্ত্ৰৰ দ্বাৰা সুসজ্জিত, যিবোৰ বিভিন্ন সামৰিকভাৱে উন্নত দেশ সমুহৰ পৰা কিনা হৈছে বিশেষকৈ ফ্ৰান্স, আমেৰিকা আৰু ইংলেণ্ডৰ পৰা আমদানি কৰা হৈছে। সামৰিক বাহিনীৰ অফিচাৰ সকলৰ কিছু সংখ্যক অফিচাৰ ইংলেণ্ডৰ ৰয়েল মিলিটাৰী একাদেমীৰ পৰা অইন কিছুমান আমেৰিকা, অষ্ট্ৰেলিয়া আৰু ফ্ৰান্সৰ মিলিটাৰী একাদেমীৰ পৰা উচ্চ শিক্ষাৰে শিক্ষিত লোক। যদিও প্ৰথম অৱস্থাত ইয়াৰ সামৰিক শক্তিৰ কাৰণে বিভিন্ন বিদেশী ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল আছিল, কিন্তু বৰ্তমান তেওঁলোকে বিভিন্ন অস্ত্ৰ-শস্ত্ৰৰ উদ্যোগ গঢ়ি বহিৰাগত অস্ত্ৰ-শস্ত্ৰ ক্ৰয়ৰ পৰিমাণ হ্ৰাস কৰিছে। সংযুক্ত আৰব আমিৰাতে তেওঁলোকৰ সামৰিক শক্তিৰ বৃদ্ধিৰ বাবে প্ৰত্যক প্ৰাপ্তবয়স্ক ব্যক্তিৰ ওপৰত ৬ মাহৰ সামৰিক প্ৰশিক্ষণ লোৱাটো বাধ্যতামূলক কৰিছে।

## অৰ্থনীতি (Economy)ঃ

সংযুক্ত আৰব আমিৰাতৰ অৰ্থনীতি একেবাৰে দুৰৱস্থাৰ পৰা এক সবল অৱস্থা লৈ আহিছে। বৰ্তমান ই উপসাগৰীয় সহযোগী পৰিষদৰ অন্তৰ্গত ৰাষ্ট্ৰসমূহৰ ভিতৰত অৰ্থনীতিৰ ক্ষেত্ৰত দ্বিতীয় স্থানত অধিষ্ঠিত। ইয়াৰ সৰ্বমুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product) হ'ল ৪১৪,২ বিলিয়ন আমেৰিকান ডলাৰ। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ ইয়াত প্ৰচুৰ পৰিমাণে পোৱা যায় যিবিলাক বিভিন্ন ৰাষ্ট্ৰলৈ ৰপ্তানি কৰা হয় আৰু ইয়াৰ পৰা এক বুজন পৰিমাণৰ অৰ্থ সংগ্ৰহ হয়। সংযুক্ত আৰব আমিৰাতৰ ডুবাই হ'ল বিশ্বৰ ব্যৱসায়ৰ এক অন্যতম কেন্দ্ৰবিন্দু। যিয়ে ইয়াৰ অৰ্থনীতিত বিশেষ প্ৰভাৱ পেলায়। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা সংযুক্ত আৰব আমিৰাত ভ্ৰমনণৰ বাবে মানুহে আহে আৰু ইয়াৰ পৰা বহু পৰিমাণৰ অৰ্থ উপাৰ্জন হয় যিয়ে ইয়াৰ অৰ্থনীতিৰ উন্নতি কৰণত যথেষ্ট প্ৰভাৱ পেলায়।

## যাতায়ত (Transportation)ঃ

যাতায়তৰ ক্ষেত্ৰত সংযুক্ত আৰব আমিৰাত বিশেষভাৱে